
# ব্ৰিটিছৰ লোণ-আইন আৰু গান্ধীজী



ৰাজহ সংগ্ৰহৰ উদ্দেশ্যৰে চৰকাৰে কৰ আৰোপ কৰে, কিন্তু কেতিয়াবা এই কৰ বোজা বা শোষণত পৰিণত হয়। এনেকুৱাই ঘটিছিল ব্ৰিটিছৰ শাসনকালত ভাৰতবৰ্ষত।

ব্ৰিটিছ চৰকাৰে ভাৰতীয় জনতাৰ ওপৰত বিবিধ কৰৰ গধুৰ বোজা জাপি দিছিল। এনে এবিধ শুল্ক কৰ আৰোপিত সামগ্ৰী আছিল নিমখ। নিমখেই এনে এবিধ সামগ্ৰী যাক সকলোৱে ব্যৱহাৰ কৰে। গতিকে নিমখৰ কৰৰ পৰা ব্ৰিটিছসকলৰ যথেষ্ট ৰাজহ আয় হৈছিল। ১৯২০-৩০ৰ দশকত কেৱল নিমখৰ কৰৰ পৰাই ব্ৰিটিছ চৰকাৰৰ মুঠ ৰাজহৰ ২ শতাংশ আহিছিল। সেয়ে নিমখৰ ওপৰত কৰ ইমান বৃদ্ধি পাইছিল যে উৎপাদন ব্যয়ৰ তুলনাত নিমখৰ দৰ প্ৰায় ৮০ গুণ চৰিছিল। নিমখ উৎপাদনৰ বজাৰখন একচেটিয়াভাৱে নিজৰ হাতৰ মুঠিত ৰাখিবৰ বাবে ব্ৰিটিছ চৰকাৰে 'লোণ আইন' প্ৰণয়ন কৰে। এই আইন অনুসৰি চৰকাৰৰ বাজে কোনেও লোণ উৎপাদন কৰিব নোৱাৰিব আৰু এই আইন উলংঘা কৰোতাজনে ৫০০ টকাৰ জৰিমনা বা ছমাহৰ কাৰাবাস খাটিব লাগিব। কোনোবাই সাগৰৰ পৰা একলহ পানী ঘৰলৈ আনিলেও এই আইনমতে দোষী বিবেচিত হৈছিল।

নিমখৰ এই মহঙা দামৰ বাবে চহৰৰ লোকসকলতকৈ গাঁৱৰ দুখীয়া লোকসকল বেছি বিপদত পৰিছিল। কাৰণ ঘাইকৈ ৰুটী আৰু চাউলৰ ওপৰত জীয়াই থকা কৃষকসকলক ধনী লোকসকলতকৈ নিমখৰ প্ৰয়োজন বেছি। তদুপৰি গৰু-ম'হৰ বাবেও নিমখ নহ'লেই নহয়। গতিকে দুখীয়া কৃষকসকলৰ অৱস্থা পানীত হাঁহ নচৰা হৈছিল।

নিমখৰ দৰ আৰু কৰ যথেষ্ট চৰিছিল যদিও সেইসময়ৰ প্ৰায়ভাগ ৰাজনৈতিক নেতাই নিমখৰ এই চৰা দামক লৈ বৰ বেছি মূৰ ঘমোৱা নাছিল। কেৱল মহাত্মা গান্ধী, গোপালকৃষ্ণ গোখলে আদি নেতাসকলে ইয়াৰ বিৰোধিতা কৰি আহিছিল। চহৰৰ লোকসকলে নিমখৰ কৰৰ বোজা বৰ বেছিকৈ অনুভৱ কৰিব পৰা নাছিল যদিও মহাত্মাই গাঁও অঞ্চলৰ মানুহৰ কষ্টৰ কথা ভালদৰে বুজিছিল। সেয়ে ১৯৩০ চনত তেওঁ ব্ৰিটিছ চৰকাৰৰ 'লোণ আইন' ভংগ কৰাৰ সিদ্ধান্ত লয়। এই আন্দোলনৰ উদ্দেশ্য, আন্দোলনৰ নীতি-নিয়ম আদিবোৰ মহাত্মাই তেওঁৰ দ্বাৰা প্ৰকাশিত ইংৰাজী, গুজৰাটী কাকতসমূহৰ জৰিয়তে (য়াং ইণ্ডিয়া, হৰিজন আৰু নৱজীৱন) প্ৰচাৰ কৰিবলৈ লয়। মহাত্মাৰ বাসস্থান সৰৰমতী আশ্ৰম অনাগত আন্দোলনৰ প্ৰস্তুতিত ব্যস্ত হৈ পৰে।

১৯৩০ চনৰ ১২ মাৰ্চৰ পুৱা ৬-৩০ বজাত মহাত্মাই সৰৰমতী আশ্ৰমৰ পৰা আন ৭৮ জন সতীৰ্থৰ স'তে সেই বিশ্ববিখ্যাত পদযাত্ৰা আৰম্ভ কৰে আৰু ভাৰতবৰ্ষই স্বাধীনতা অৰ্জন নকৰালৈকে সেই ঠাইলৈ উভতি নহাৰ প্ৰতিজ্ঞা লয়। এই পদযাত্ৰাৰ দলটোৱে (গান্ধীজীয়ে কৈছিল 'তীৰ্থযাত্ৰী' বুলি) গুজৰাটৰ বহুতো সৰু-বৰ গাঁৱৰ মাজেৰে যাত্ৰা কৰে। যাত্ৰাৰ গোটেই পথছোৱা গান্ধীজীয়ে বিভিন্ন গাঁওসমূহত অহিংস আন্দোলন বা সত্যাগ্ৰহৰ তাৎপৰ্য, বিদেশী শাসনৰ কুফল আদিৰ বিষয়ে ব্যাখ্যা কৰে আৰু খাদীৰ প্ৰচলন, বিদেশী বস্ত্ৰ বৰ্জন, ৰাগিয়াল দ্ৰব্যৰ কুফল, বিভিন্ন ধৰ্মাৱলম্বী লোকসকল, ঘাইকৈ হিন্দু-মুছলমানৰ একতাৰ হকে প্ৰচাৰ চলাইছিল। যাত্ৰাৰ কালতেই মহাত্মাই বিভিন্ন ইচ্ছুক চৰকাৰী চাকৰিয়ালৰ পদত্যাগ-পত্ৰ গ্ৰহণ আৰু সত্যাগ্ৰহৰ বাবে স্বেচ্ছাসেৱী সংগ্ৰহ কৰিছিল। তদুপৰি এই যাত্ৰাৰ আন এক মূল লক্ষ্য আছিল ভাৰতৰ গ্ৰামাঞ্চলৰ পৰা অস্পৃশ্যতাৰ ব্যাধিক দূৰ কৰা। সেই উদ্দেশ্যেও যথেষ্ট প্ৰচাৰ চলোৱা আৰু হৰিজন কল্যাণৰ অৰ্থে দান-বৰঙণি সংগ্ৰহ কৰা হৈছিল।

যাত্ৰাৰ গোটেই কালছোৱা পদযাত্ৰীসকলৰ মাজত কঠোৰ নিয়মানুৱৰ্তীতা বজাই ৰখা হৈছিল। যেনে ঃ প্ৰতিদিনে পুৱা-গধূলি নিৰ্দিষ্ট সময়ত উপাসনা কৰা হৈছিল, সেইসময়ত দলটো যি ঠাইতেই উপস্থিত নহওক। আকৌ প্ৰতিজন পদযাত্ৰীয়েই প্ৰতিদিনে নিৰ্দিষ্ট পৰিমাণৰ সূতা কাটি উলিয়াব লাগিছিল। খোৱা-বোৱাৰ ক্ষেত্ৰতো যথেষ্ট বান্ধোন আৰোপ কৰা হৈছিল। গাঁওবাসীসকলে যোগান ধৰা আহাৰ হ'ব লাগিছিল সম্পূৰ্ণ সিদ্ধ, তেল-মছলা-জলকীয়াবিহীন। পাণ-তামোল, চাহ-মিঠাই গ্ৰহণ কৰাটোও আছিল একেবাৰে নিষেধ। প্ৰতিজন পদযাত্ৰীয়েই যাত্ৰাৰ কালছোৱাৰ বিৰতিৰ সময়ত ব্যস্ত আছিল সূতা-কটা, দিনলিপি লিখা আদি কামত। পিচে সবাতোকৈ ব্যস্ত আছিল তিনিকুৰি বছৰীয়া মহাত্মা নিজে। প্ৰাৰ্থনা সূতাকটা আদি কামৰ বাজেও তেওঁ গাঁওবাসীৰ ওচৰত বক্তৃতা দিয়া, বিভিন্ন দেশৰ সাংবাদিকক সাক্ষাৎকাৰ প্ৰদান, তেওঁৰ সংবাদপত্ৰসমূহৰ বাবে প্ৰবন্ধ ৰচনা, অজস্ৰ চিঠি-পত্ৰৰ উত্তৰ দিয়া আদি কামৰ মাজত অতিশয় ব্যস্ত আছিল। এনেবোৰ কামত তেওঁ এনেদৰে ব্যস্ত-নিবিষ্ট হৈ পৰিছিল যে তেওঁৰ সচিব মহাদেৱ দেশায়ে এদিন তেওঁক পুৱা ৪ বজাত মাটিৰ চাকিগছি নুমাই যোৱাৰ পিচত জোনাকত কিবা লিখি থকা দেখিছিল। দেশায়ে আচৰিত হৈ সোধাত মহাত্মাই ক'লে যে জোনাকত পঢ়াতো কঠিন যদিও লিখাতো নহয়।

পদযাত্ৰীসকলৰ সৈতে এখন গৰুগাড়ীও গৈছিল যিখনে কঢ়িয়াই নিছিল পদযাত্ৰীসকলৰ যঁতৰবোৰ, মহাত্মাৰ কাকত-পত্ৰসমূহ আৰু সেইখন একেসময়তে ব্যৱহৃত হৈছিল 'গতিশীল খাদী বিপণী'ৰূপে।

এইদৰে চৌৱিশ দিন ধৰি গুজৰাটৰ বিভিন্ন সৰু-বৰ গাঁও চহৰৰ মাজেদি যাত্ৰা কৰি ৩৫০ কিঃমিঃ পথ অতিক্ৰম কৰাৰ পিচত ৫ এপ্ৰিলৰ দিনা পদযাত্ৰাৰ এই দলটোৱে আৰৱ সাগৰৰ পাৰত অৱস্থিত গুজৰাটৰ চুৰাট জিলাৰ দাণ্ডী নামৰ সৰু গাঁওখনত উপস্থিত হয়। এই ঠাইখন প্ৰাকৃতিক লোণৰ ভঁৰালৰূপে বিখ্যাত।

পাচদিনা, অৰ্থাৎ ১৯৩০ চনৰ ৬ এপ্ৰিলৰ পুৱা মহাত্মা আৰু তেওঁৰ সতীৰ্থসকলে আৰব সাগৰৰ জলৰাশিত অৱগাহণ কৰে আৰু তাৰপাচত মহাত্মাই সাগৰ তীৰৰ এমুঠি লোণ তুলি লৈ ইংৰাজ চৰকাৰৰ লোণ আইন ভংগ কৰে। আনুষ্ঠানিকভাৱে এই আইন উলংঘা কৰি তেওঁ সমগ্ৰ দেশবাসীক মুকলিভাৱে এই অযুগুত আইন ভংগ কৰিবলৈ আহ্বান জনায়। তেওঁৰ এই আহ্বানত সঁহাৰি জনাই সমগ্ৰ দেশৰ জনতাই নিজ নিজ সুবিধা অনুসৰি নিমখ উৎপাদন কৰি, অথবা এই আইনগতভাৱে অবৈধ নিমখ ক্ৰয় কৰি ব্ৰিটিছ চৰকাৰৰ লোণ আইন লংঘন কৰে।

ইয়াৰ পাচত সমগ্ৰ দেশক আইন-অমান্য আন্দোলন আৰু অসহযোগ আন্দোলনে জোকাৰি যায়। মহিলাসকলৰ দ্বাৰা সুৰা বিপণীসমূহত ধৰ্মঘট, বিদেশী বস্ত্ৰ দাহ, ছাত্ৰসকলৰ চৰকাৰী শিক্ষানুষ্ঠান ত্যাগ, ব্ৰিটিছ চৰকাৰৰ দ্বাৰা আগবঢ়োৱা উপাধি, সন্মান আদি ত্যাগ আৰু অস্বীকাৰকৰণ, বিধানসভাৰ সদস্যসকলৰ পদত্যাগ আদিয়ে ব্ৰিটিছ চৰকাৰৰ ভেটি কঁপাই তোলে। তেওঁলোকে বাৰুকৈয়ে উপলব্ধি কৰে যে মাথোঁ লোণ আইন ভংগ কৰাই মহাত্মাৰ উদ্দেশ্য নাছিল।

প্ৰকৃততে মহাত্মাৰ উদ্দেশ্য আছিল ভাৰতবাসীক, ঘাইকৈ ভাৰতৰ গাঁওবাসীক সামাজিক, ৰাজনৈতিকভাৱে সচেতন কৰি তোলা। সেয়ে যিসময়ত আন আন ৰাজনৈতিক নেতাসকলে দেশৰ প্ৰশাসনিক কেন্দ্ৰসমূহত বিক্ষোভ প্ৰদৰ্শন কৰিছিল, সেইসময়ত গান্ধীজীয়ে নীৰৱে এমুঠিমান সতীৰ্থৰে সৈতে গুজৰাটৰ গাঁওবোৰলৈ ৰাওনা হৈছিল। এই আন্দোলনেই পোনপ্ৰথমবাৰৰ বাবে ভাৰতীয় মহিলাসকলক ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনি তেওঁলোকক তেওঁলোকৰ সামাজিক আৰু ৰাজনৈতিক দায়িত্বৰ বিষয়ে সজাগ কৰি তুলিলে। এই আন্দোলনৰ পাচৰ পৰাই বিশ্বৰ ৰাজনীতি আৰু বুৰঞ্জী গণ-আন্দোলনৰ এক অভিনৱ পদ্ধতিৰ সৈতে পৰিচিত হয়— সেয়া হৈছে অহিংস সত্যাগ্ৰহ আন্দোলন, অৰ্থাৎ 'সত্যত আগ্ৰহী'সকলৰ আন্দোলন। প্ৰকৃততে এই আন্দোলনৰ জৰিয়তে মহাত্মাই কিদৰে অহিংস, শান্তিপূৰ্ণ পদ্ধতিৰে যুঁজ দিব লাগে, কিদৰে সমাজৰ সকলো লোকক সমভাৱে চাব লাগে, গাঁওসমূহ কিদৰে চাফ-চিকুণভাৱে ৰাখিব আৰু সংগঠিত কৰিব লাগে, কিদৰে অত্যন্ত প্ৰতিকূল পৰিস্থিতিটো নিজ আদৰ্শত অটল হৈ থাকিব লাগে, সত্যৰ পূজাৰী কিদৰে সাহসী আৰু অকপট হোৱা উচিত, তাৰ এক জীৱন্ত উদাহৰণ দাঙি ধৰিলে।

এগৰাকী ইংৰাজ লেখক ই. ষ্টেনলি জনচৰ ভাষাত— 'প্ৰথমতে কথাটো বৰ আচহুৱা যেন লাগিছিল। এখন চুটি চুৰিয়া পিন্ধি, হাতত টোকোন লৈ এজন চুটি-চাপৰ মানুহে মানৱ ইতিহাসৰ সবাতোকৈ বিশাল সাম্ৰাজ্যখনৰ সৈতে যুঁজ দিবলৈ ওলাল আৰু শপত ল'লে যে স্বাধীনতা লাভ নকৰাকৈ তেওঁ উভতি নাহে। এই দুয়োটা দিশ কোনো পিনৰ পৰাই খাপ নাখায়। কিন্তু এয়া মাথোঁ এজন সৰুফুটীয়া মানুহ আৰু মাত্ৰ এডাল টোকোন নাছিল— এয়া আছিল এক আদৰ্শৰ মূৰ্ত ৰূপ গ্ৰহণ।'

দাণ্ডীযাত্ৰাৰ পিচত ব্ৰিটিছ চৰকাৰে লোণ আইন সংশোধন কৰিলে যদিও তাৰ বিলুপ্তি সাধন নকৰিলে। কিন্তু এই অপ্ৰাপ্তি দাণ্ডীযাত্ৰাই ভাৰতীয় জীৱনলৈ কঢ়িয়াই অনা বিশাল পৰিৱৰ্তনৰ তুলনাত তেনেই নগণ্য। কাৰণ এই আন্দোলনৰ আগৰ ভাৰতবৰ্ষ আৰু এই আন্দোলনৰ পাচৰ ভাৰতবৰ্ষ একেখন হৈ নাথাকিল।

**পৰাগ কুমাৰ ডেকা**, কেঁকোৰাপুল, তেজপুৰ

যাত্ৰাৰ গোটেই কালছোৱা পদযাত্ৰীসকলৰ মাজত কঠোৰ নিয়মানুৱৰ্তীতা বজাই ৰখা হৈছিল। যেনে ঃ প্ৰতিদিনে পুৱা-গধূলি নিৰ্দিষ্ট সময়ত উপাসনা কৰা হৈছিল, সেইসময়ত দলটো যি ঠাইতেই উপস্থিত নহওক। আকৌ প্ৰতিজন পদযাত্ৰীয়েই প্ৰতিদিনে নিৰ্দিষ্ট পৰিমাণৰ সূতা কাটি উলিয়াব লাগিছিল। খোৱা-বোৱাৰ ক্ষেত্ৰতো যথেষ্ট বান্ধোন আৰোপ কৰা হৈছিল। গাঁওবাসীসকলে যোগান ধৰা আহাৰ হ'ব লাগিছিল সম্পূৰ্ণ সিদ্ধ, তেল-মছলা-জলকীয়াবিহীন। পাণ-তামোল, চাহ-মিঠাই গ্ৰহণ কৰাটোও আছিল একেবাৰে নিষেধ।

## ছিলভাৰ স্কেইটছ্

(খ পৃষ্ঠাৰ পাৰ) মোৰ মা বুলি কিয় ভাবিছিলোঁ বাৰু?'

লেইডেন আৰু হাৰলেমৰ মাজত সিদ্দিনা মানুহৰ যাতায়াত কম। কিন্তু আমষ্টাৰডামৰ ওচৰ চপাৰ লগে লগে মানুহৰ ভিৰ বাঢ়িল। আলিবাটত বৰফ ভাঙি মিহি কৰা মেচিনবোৰ কামত লগোৱা হৈছে।

'থ্ৰি চিয়ৰ্চ! ঘৰলৈ বুলি।' —লেম্বাৰ্টে চিঞৰিলে।

'হুৰে! হুৰে! হুৰে!' —সকলোৱে সঁহাৰি জনালে।

এই চিঞৰটো লেম্বাৰ্টে ইংলেণ্ডত শিকি আহিছে। সুযোগ পালেই মাৰে।

বাকী মানুহবোৰে ঘূৰি চায়। কাৰণ এনে চিঞৰ-বাখৰ ডাচ্চসকলে ভাল নাপায়। তেওঁলোকে খাল-সংযোগী 'Y' টো পালেগৈ। তাৰপাচত ব্ৰ-ইক অভিমুখী খালত ভৰি দিলে। লেম্বাৰ্টৰ ঘৰ সবাতোকৈ আগত। তেওঁ বিদায় জনালে— 'গুড্ বাই বন্ধুসকল! বৰ ভালকৈ দিনকেইটা গ'ল।'

'এৰা ঠিকেই কৈছা। গুড্ বাই ভান ম'উনেন!' —ল'ৰাইতে ক'লে। পিটাৰে সোঁৱৰালে— 'তোমাৰ মনত আছেনে বাৰু? কাইলৈ স্কুল খুলিব।'

'আছে মনত আছে। ধন্যবাদ। গুড্ বাই!

'গুড্ বাই।' ক্ৰমে ব্ৰুইক ভাহি আহিল। খালত কেট্ৰিংকাক দেখা গ'ল। কাৰ্লৰ মন ভৰি উঠিল। হিলডাও আছে। পিটাৰৰ ওঁঠত হাঁহি ফুটি উঠিল। জেকব আৰু লুড্ উইগ উৰি যোৱাৰ দৰে গ'ল। বিচিৰ স'তে হাত মিলাবলৈ।

ডাচ্চ ছোৱালীবোৰ গহীন আৰু শান্ত স্বভাৱৰ। কিন্তু চকুবোৰ ভৰপূৰ। ৰঙেৰে উপচি পৰা। গতিকে থাউকতে হিলডা, বিচি আৰু কেটৰিংকাৰ মাজত কোন বেছি সুখী ধৰিব পৰা নগ'ল।

অদূৰত এনি ব'মেনকো দেখা গ'ল। সাজপাৰ তেনেই সাধাৰণ। চেহেৰা হ'লে জিলিকি আছে। তেওঁ অকলশৰে আছে। কিয় জানো মনটো মৰা। ■